بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## তবুকৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৪ অক্টোবৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে আজিও মই তবুকৰ যুদ্ধৰ বিষয়ে বিস্তৃতভাৱে বৰ্ণনা কৰিম।

জাদ্দা বিন কায়েছ নামৰ এজন ব্যক্তিৰ ঘটনা বৰ্ণনা আছে। এইজন কপটাচাৰী আছিল। আব্দুল্লাহ বিন উবায়ৰ পিছত কপটাচাৰীসকলৰ এজন ডাঙৰ নেতা নিযুক্ত হৈছিল। এইজন ব্যক্তি হুদায়বিয়াৰ চুক্তিৰ সময়তো বয়াত কৰা নাছিল। তেওঁ ৰছুলুল্লাহ (ছাঃ)ৰ সন্মুখত উপস্থিত হৈ যুদ্ধলৈ নোযোৱাৰ অজুহাত দেখুৱাইছিল। লিখা আছে, তেওঁ কৈছিল যে হে আল্লাহৰ ৰছুল ! মোক ছুটী দিয়ক, মোক ফিৎনাৰ মাজত নেপেলাব, খোদাৰ শপত! মোৰ জাতিয়ে মোৰ বিষয়ে জানে যে মোতকৈ অধিক নাৰীক ভালপোৱা ব্যক্তি আন কোনোবা নাই। মোৰ ভয় হৈছে যে যদি মই বনু আচফৰ অৰ্থাৎ ৰোমান সকলৰ মহিলাক দেখিম তেতিয়া ধৈৰ্য ধাৰণ কৰিব নোৱাৰিম। ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁৰ এই অশালীন উত্তৰ শুনি তেওঁৰ পৰা মুখখন ঘূৰাই লৈ কৈছিল যে ঠিক আছে যোৱা, অনুমতি দিয়া হ'ল। তেওঁৰ ল'ৰা হজৰত আব্দুল্লাহ বিন জাদ্দা (ৰাঃ)য়ে যিজন বদৰী চাহাবা, অতি নিষ্ঠাবান আছিল, তেওঁৰ সকলোবোৰ কথা শুনি খণ্ডত কলে যে নহয়, আল্লাহৰ শপত! এইটো ভণ্ডামিৰ কাৰণে তুমি যুদ্ধলৈ নাযাব। আল্লাহৰ শপত ! তোমাৰ বিষয়ে নিশ্চয় কোৰআন অৱতীৰ্ণ হ'ব। এটা বৰ্ণনাত আছে যে জাদ্দা বিন কায়েছৰ বিষয়ে এই আয়াত অৱতীৰ্ণ হৈছে যে ইয়াৰ মাজত এজন সেইজনো আছে যিয়ে কয় মোক ছুটী দিয়া আৰু মোক ফিতনাত নেপেলাব। কোৱা হয় যে পৰৱৰ্তীত তেওঁ তৌবা কৰিছিল, আৰু আন্তৰিকতাৰে তৌবা কৰিছিল। ইয়াৰ পিছত

হজৰত উছমান (ৰাঃ)ৰ খিলাফতৰ যুগত মৃত্যু বৰণ কৰিছিল।

মদিনাত কপটাচাৰী আৰু ইহুদীসকলে মিছা উৰাবাতৰি বিয়পাই মুছলমানসকলৰ মনোবল ভাঙি দিয়া আৰু যুদ্ধলৈ নোযোৱাৰ বাবে প্ৰচেষ্টা চলাইছিল, ইয়াৰ বাবে তেওঁলোকে বিভিন্ন ধৰণৰ কৌশল অবলম্বন কৰিছিল, তেওঁলোকে নিজৰ বাবে এটা কেন্দ্ৰ বনাইছিল। আঁহজৰত (ছাঃ)য়ে এই কেন্দ্ৰৰ অন্ত পেলোৱাৰ আদেশ দিছিল। আঁহজৰত (ছাঃ)য়ে নিজৰ দয়া আৰু কৰুণাৰ বাবে এওলোকক ক্ষমা কৰিছিল। কিন্তু যেতিয়া ব্যৱস্থাপনাৰ বিৰুদ্ধে কোনো ভয়ানক পৰিকল্পনা কৰিছিল তেতিয়া ইয়াক অতি বুদ্ধিমত্তাৰে নিৰ্মূল কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। এই মৌলিক ভেঁটি মনত ৰখা উচিত যে যেতিয়া ব্যৱস্থাপনাৰ বিৰুদ্ধে কোনো কথা উত্থাপন হয় তেতিয়া কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হয়; ইয়াত কোমলতাৰ প্ৰশ্নই নুঠে। এইদৰে আৰু এটা ব্যৱস্থা গ্ৰহণ কৰাৰ কথা ইয়াত আহিছে। কিন্তু আঁহজৰত (ছাঃ)ৰ দয়া আৰু কৰুণা এনেদৰে প্ৰাধান্যতা লাভ কৰিছিল যে তেখেত (ছাঃ)য়ে তেওঁলোকৰ কোনো এজনকো গ্ৰেপ্তাৰ কৰিবলৈ নিৰ্দেশ দিয়া নাছিল আৰু শাস্তি দিবলৈয়ো কোনো আদেশ দিয়া নাছিল। এই ষড়যন্ত্ৰৰ মূল কেন্দ্ৰ অৰ্থাৎ হেডকোৱাৰ্টৰ ধ্বংস কৰা হৈছিল।

তবুকৰ যুদ্ধৰ যাত্ৰাৰ বাবে সকলোৱে প্ৰস্তুতিত ব্যস্ত আছিল, আৰ্থিক কোৰবাণীৰ ধাৰাবাহিকতা অব্যাহত আছিল যাতে যাত্ৰাৰ খৰচৰ ব্যৱস্থা হ'ব পাৰে। দৰিদ্ৰ আৰু দুখীয়া চাহাবা সকলে যেতিয়া নবী কৰিম (ছাঃ)ৰ ওচৰলৈ আহিছিল তেতিয়া তেওঁলোকক প্ৰস্তুতিৰ বাবে সহায় কৰা হৈছিল। এইদৰে সামৰ্থ থকা লোকসকলে সেই চাহাবাসকলক সহায় কৰি আছিল যিসকলৰ ওচৰত আৰোহীৰ ব্যৱস্থা নাছিল; কিয়নো আৰোহী অবিহনে যাত্ৰা কৰাটো সম্ভৱ নাছিল। আঁহজৰত (ছাঃ)ৰ নিৰ্দেশ আছিল যে আমাৰ সৈতে সেইসকল ব্যক্তিয়ে যাত্ৰা কৰিব, যিসকল শক্তিশালী আৰু যাত্ৰাৰ কষ্ট সহ্য কৰিবলৈ সক্ষম, আৰু যাৰ ওচৰত আৰোহী আৰু যাত্ৰাৰ বাবে সা-সামগ্ৰী উপলব্দি আছে।

সেই সময়ত কিছুমান চাহাবা আঁহজৰত (ছাঃ)ৰ ওচৰত কান্দি কান্দি উপস্থিত হৈছিল, তেওঁলোকে তেখেত (ছাঃ)ৰ পৰা আৰোহীৰ বাবে অনুৰোধ জনাইছিল, কাৰণ তেওঁলোকৰ বাবে সেইবোৰৰ প্ৰয়োজন আছিল। ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে আমাৰ ওচৰত এতিয়া একোৱে নাই যিবোৰ মই তোমালোকৰ আৰোহণৰ বাবে ব্যৱস্থা কৰিব পাৰো। ইয়াৰ পিছত তেওঁলোকে কান্দি কান্দি উভতি গৈছিল। আল্লাহ তা'লাই সেই চাহাবা সকলৰ নিষ্ঠা, আনুগত্য আৰু অসহায়তাৰ বিষয়ে কোৰআন কৰিমত এইদৰে উল্লেখ কৰিছে যে যুদ্ধ ঘোষণা কৰা সময়ত আপোনাৰ ওচৰলৈ আৰোহীৰ ব্যৱস্থাৰ বাবে অহাসকলৰ ওপৰত কোনো দোষ নাই; তুমি উত্তৰ দিছিলা যে মোৰ ওচৰত একোৱে নাই যাৰ ওপৰত তোমালোকক আৰোহণ কৰোৱাব পাৰো, এই উত্তৰ শুনি তেওঁলোকে গুচি গৈছিল আৰু দুখতে তেওঁলোকৰ চকুৰ পৰা চকুলো বৈ আছিল; দুখৰ বিষয় তেওঁলোকৰ ওচৰত একোৱে নাছিল যিবোৰ আল্লাহৰ পথত খৰচ কৰিব পাৰে। এইটো ছুৰা তৌবাৰ আয়াত হয়। পিছত সেই চাহাবা সকলৰ বাবে বাটৰ খৰচৰ ব্যৱস্থা হৈ গৈছিল আৰু তেওঁলোকে আঁহজৰত (ছাঃ)ৰ সৈতে যাত্ৰাৰ বাবে ৰাওনা হৈছিল। হজৰত আবু মুছা আশ্বআৰী (ৰাঃ)ৰ জনগোষ্ঠীৰ লোক সকলেও হুজুৰ (ছাঃ)ৰ ওচৰত আৰোহীৰ বাবে আবেদন জনাইছিল। এওঁলোক আছিল ছয় জন। তেওঁলোকে আবু মুছা আশ্বআৰী (ৰাঃ)ক প্ৰতিনিধি বনাই হুজুৰ (ছাঃ)ৰ ওচৰলৈ পঠিয়াইছিল। তেওঁলোককো আঁহজৰত (ছাঃ)য়ে

কৈছিল যে মোৰ ওচৰত একোৱেই নাই যিবোৰ মই তোমালোকক দিব পাৰো। এই কথা শুনি তেওঁলোকে কান্দি কান্দি তাৰ পৰা গুচি গৈছিল। সেই সময়ছোৱাত তেখেত (ছাঃ)য়ে হজৰত ছাআদ বিন উবাদা (ৰাঃ)ৰ পৰা উট ক্রয় কৰি হজৰত আবু মুছা আশ্বআৰী (ৰাঃ)ক দি কৈছিল যে এই উট লৈ নিজৰ সংগীসকলক দিয়া।

এই যুদ্ধত যাওতে মদিনাৰ উপ প্রতিনিধি নিযুক্ত সন্দৰ্ভত বিভিন্ন মতভেদ আছে। এটা বর্ণনা অনুসৰি নবী কৰিম (ছাঃ)য়ে হজৰত মহম্মদ বিন মাছলামা (ৰাঃ)ক মদিনাৰ আমিৰ নিযুক্ত কৰিছিল। ইয়াৰোপৰি হজৰত ছাবাআ বিন উৰফাতাহ (ৰাঃ), হজৰত আলী (ৰাঃ), হজৰত আব্দুল্লাহ বিন উম্মে মকতুম (ৰাঃ)ৰ নামো উল্লেখ আছে। ইয়াৰ অর্থ হ'ল এই চাৰিওজন লোককে উপ প্রতিনিধি হিচাপে নিযুক্ত কৰা হৈছিল যদিও তেওঁলোকৰ দায়িত্ব বেলেগ বেলেগ আছিল। যিহেতু এইটো আছিল দীঘলীয়া যাত্রা। সেয়েহে হজৰত আলী (ৰাঃ)ক মদিনাত থাকিবলৈ কৈছিল যাতে ঘৰৰ প্রয়োজনীয়তা পূৰণ কৰিব পাৰে। কপটাচাৰী যিসকলৰ কামেই আছিল ঠাট্টা আৰু তিৰস্কাৰ কৰা, তেওঁলোকে বিভিন্ন ধৰণৰ কথা সাজি ক'ব ধৰিলে যে তেওঁ নবী কৰিম (ছাঃ)ৰ বাবে বোজা আছিল সেই কাৰণে তেওঁক লগত লৈ যোৱা নাই। এই ঠাট্টা-তিৰস্কাৰ শুনি বা চৌপাশৰ কপটাচাৰী সকলক দেখি হজৰত আলী (ৰাঃ)য়ে নিজেই ভয় খাই অস্ত্র তুলি নবী কৰিম (ছাঃ)ৰ ওচৰলৈ আহিছিল। আঁহজৰত (ছাঃ)য়ে তেতিয়া মদিনাৰ পৰা তিনি কি:মি: দূৰত্বত হৰফ নামৰ ঠাইত অৱস্থান কৰি আছিল। হজৰত আলী (ৰাঃ)য়ে নিজৰ চিন্তা আৰু ভয়ৰ কথা প্রকাশ কৰিলে তেতিয়া তেখেত (ছাঃ)য়ে তেওঁক সান্তনা দি এনে এটা বাক্য কলে, যিটোৱে তেখেত (ৰাঃ)ৰ মহত্ব আৰু মর্যাদা আৰু অধিক বৃদ্ধি পালে। তেখেত (ছাঃ)য়ে হজৰত আলী (ৰাঃ)ক কৈছিল যে হে আলী ! তুমি সুখী নহয়নে? তুমি মোৰ বাবে তেনেকুৱাই যিদৰে হাৰুন মুছাৰ বাবে আছিল, পার্থক্য কেৱল ইমানখিনি যে তুমি নবী নহয়।

তবুকৰ অভিযান সন্দৰ্ভত মুছলমান সকলৰ সংখ্যাৰ বিষয়ে লিখা আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে যুদ্ধৰ প্রস্তুতিৰ বাবে সকলো ধৰণৰ বাহ্যিক উপকৰণৰ ব্যৱস্থা কৰাৰ পিছত দোৱাৰ প্রতি উৎসাহিত কৰিছিল। প্রস্তুতিৰ আৰম্ভণিৰ পৰা তবুক অভিমুখে যাত্রা আৰম্ভ কৰা সময়লৈকে এই দোৱা অব্যাহত ৰাখিছিল।

**আল্লাহুম্মা ইন তুহলাক হাজিহিল ইছাবাতু ফালান তুবাদা ফিল আৰজি**

হে খোদা ! যদি এই সৰু জামাত ধ্বংস হৈ যায় তেন্তে এই ধৰাপৃষ্ঠত কোনে তোমাৰ উপাসনা কৰিব। আচৰিত কথা যে আঁহজৰত (ছাঃ)ৰ প্রথম যুদ্ধ অর্থাৎ বদৰৰ যুদ্ধৰ সময়তো এই দোৱা কৰাৰ উল্লেখ পোৱা যায় আৰু তখেত (ছাঃ)ৰ শেষ যুদ্ধতো এই দোৱাৰ কথা উল্লেখ পোৱা যায়।

অৰ্থাৎ প্রচণ্ড গৰমৰ বতৰ, দীঘলীয়া যাত্রা, বিভিন্ন সমস্যা আৰু কপটাচাৰী সকলৰ অপপ্রচাৰ সত্ত্বেও ৩০ হাজাৰ বিশাল সংখ্যাৰ সেনা বাহিনী প্রস্তুত কৰা হৈছিল। ইয়াৰ মাজত ১০ হাজাৰ অশ্বাৰোহী আছিল। আঁহজৰত (ছাঃ)ৰ জীৱন কালৰ সকলো যুদ্ধৰ ভিতৰত এই যুদ্ধত আটাইতকৈ বেছি সেনা বাহিনী আছিল। তেখেত (ছাঃ)য়ে তবুকৰ যুদ্ধত সকলোতকৈ ডাঙৰ পতাকা হজৰত আবু বক্কৰ (ৰাঃ)ক দিছিল। ইয়াৰোপৰি হজৰত জুবেৰ (ৰাঃ), হজৰত উছেয়দ বিন হুজেৰ (ৰাঃ), হজৰত আবু দুজানা (ৰাঃ) বা আন কিছুমান বৰ্ণনা অনুসৰি হজৰত হুবাব বিন মনজৰ (ৰাঃ)কো পতাকা দিয়া হৈছিল। তবুকৰ যুদ্ধৰ সময়ত ৰছুলুল্লাহ (ছাঃ)য়ে পথ প্রদর্শনৰ বাবে আলকামাহ বিন ফাগুৱা খুজাৰি

আৰু তেওঁৰ পিতৃক নিযুক্ত কৰিছিল। তেওঁ পথৰ বিষয়ে ভালদৰে অৱগত আছিল আৰু সোনকালে সঠিক পথেদি লৈ গৈছিল। হজৰত কাআব বিন মালিক (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে তবুকৰ যুদ্ধৰ বাবে নবী কৰিম (ছাঃ)য়ে বৃহস্পতিবাৰে ওলাইছিল, তেখেত (ছাঃ)য়ে বৃহস্পতিবাৰ দিনা যাত্ৰা কৰাটো পছন্দ কৰিছিল।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মাননীয় গুলাম মহী উদ্দিন ছুলেমান চাহাব মুবাল্লিগ ছিলছিলা ইণ্ডোনেচীয়া, মাননীয় ডাক্তৰ মহম্মদ শ্বফিক ছহগল চাহাব প্ৰাক্তন উপ উকিলুত তাছনিফ তেহেৰিকে জাদিদ ৰাবৱা আৰু মাননীয়া বুশ্বৰা পৰবেজ মিনহাছ চাহিবা পৰৱেজ মিনহাজ চাহাব (ইউ.এছ এ)ৰ পত্নীৰ সদগতিৰ কথা উল্লেখ কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। হুজুৰ আনোৱাৰ (আইঃ)য়ে প্ৰয়াতসকলৰ মাগফিৰাত আৰু উন্নত মৰ্যাদাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهٗ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 24 OCT 2025**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

**NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB**